# যুৱাঙ্গন

জীৱনৰ ৰণাঙ্গনত যুৱশক্তিৰ আলোড়ন

YUBANGAN ◆ DIBRUGARH UNIVERSITY INTER COLLEGE YOUTH FESTIVAL 2025-26 ◆ NEWSLETTER ◆ 28th January 2026

## অধ্যক্ষৰ একলম



স্বাগতম অতিথিবৃন্দ,তত্ত্বাৱধায়ক শিক্ষকবৃন্দ, অংশগ্ৰহণকাৰী ছাত্ৰ–ছাত্ৰী, শুভাকাঙ্খী সুধীবৃন্দ,

আজি আমাৰ দুলীয়াজান মহাবিদ্যালয়ৰ বাকৰি ‘জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ ’ উদুলি–মুদুলি,মহাবাহু ব্ৰক্ষ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়ো পাৰৰ ৬৩খন মহাবিদ্যালয়ৰ ১৫০০তকৈয়ো অধিক প্ৰতিভাধৰ শিক্ষাৰ্থীৰ সমাগম। স্বাভাৱিকতেই আমি গৌৰাবান্বিত , আমি কৃতজ্ঞ , আমি সমৃদ্ধ।

এই যুৱ–মহোৎসৱ কেৱল প্ৰতিযোগিতাৰেই মঞ্চ নহয়, ই হৈছে ভাৱ–বিনিময়ৰ ক্ষেত্ৰ, বন্ধুত্বৰ সেঁতু, সাংস্কৃতিক একতাৰ প্ৰতীক আৰু সৃষ্টিশীল মানৱসম্পদ গঢ়ি তোলাৰ এক মহৎ প্ৰচেষ্টা। জয় – পৰাজয় যিয়েই নহওক , অংশগ্ৰহণেই হৈছে সৰ্বাধিক গুৰুত্বপূৰ্ণ। অংশগ্ৰহণকাৰী ছাত্ৰ –ছাত্ৰীসকলে প্ৰতিভা প্ৰদৰ্শনৰ জৰিয়তে নিজৰ আত্মবিশ্বাস বৃদ্ধি কৰক , আনৰপৰা শিকক, নতুন নতুন বন্ধুত্ব গঢ়ক আৰু জীৱনৰ এক স্মৰণীয় অভিজ্ঞতা অৰ্জন কৰক এই কথা মনত ৰাখি যে শিল্পৰ কোনো সীমা নাই আৰু সৃষ্টিশীলতাৰ কোনো পৰাজয় নাই। সকলো সফল হওক, এনে আশাৰেই সকলোকে আদৰিছোঁ আমাৰ এই যুৱাংগনলৈ।

### Youth Festival: A Platform for Expression and Excellence

A Youth Festival is a vibrant platform that brings together young minds to celebrate creativity, talent and cultural diversity. It provides students an opportunity to express themselves through various literary, cultural and performing arts, while also encouraging healthy competition and mutual learning. Beyond performances, a youth festival plays a crucial role in nurturing confidence, leadership, teamwork and communication skills among participants. It helps students discover their potential, appreciate different cultures and develop a spirit of unity and fraternity. Such festivals also strengthen bonds between institutions and promote a holistic approach to education by balancing academics with co-curricular engagement.

Youth Festivals are important because they shape well-rounded individuals. They foster cultural awareness, discipline and social responsibility, while offering a space for innovation and creative dialogue. Participation in these events often leaves a lasting impact on students, motivating them to pursue excellence both inside and outside the classroom.

This year, Duliajan College has the honour of hosting the Dibrugarh University Inter-College Youth Festival from 28th to 31st January, 2026. Colleges from across the university will participate in this grand celebration of youth and culture, making the campus a lively hub of artistic expression and youthful enthusiasm. The festival is expected to be a memorable and enriching experience for all involved.

## শ্ৰদ্ধাৰ্ঘ



অসমীয়া জাতীয় জীৱনলৈ সাংস্কৃতিক কৰ্মেৰে অনৱদ্যক অৱদান আগবঢ়াই যোৱা , অসমৰ যুৱ – প্ৰজন্মৰ মাৰ্গদৰ্শকস্বৰূপ , নিৰ্ভীক–বলিষ্ঠ সত্তা, সূৰ্যকণ্ঠ জুবিন গাৰ্গক স্মৰণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ –মহোৎসৱ ২০২৫–২৬ থলী তেখেতৰ নামত উচৰ্গা কৰা হৈছে। 'জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ' হওক শিল্পীগৰাকীৰ অমৰত্বৰ প্ৰতীক।

জগত পোহৰ কৰি আহিব প্লাৱন  
আঁতৰাব অমানিশা  
বধিব ৰাৱণ নিকা হ'ব সমাজ  
শেষ হ'ব সেই পাপ  
ফুলি ৰ'ব প্ৰেম শতদল  
-জুবিন গাৰ্গ

## যুৱ মহোৎসৱত পুৰস্কাৰ লাভ কৰাতকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে সহযোগিতা, শৃংখলাবদ্ধতা আৰু শান্তিপূৰ্ণভাৱে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সফল কৰি তোলা

### – যুৱ মহোৎসৱ উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয় উপাচাৰ্য ড° জিতেন হাজৰিকা



আমাৰ বৰ্তমানৰ শিক্ষাৰ উদ্দেশ্য কাৰোবাক চাকৰি দিয়া নহয়। আমাৰ শিক্ষাৰ উদ্দেশ্য হৈছে ছাত্ৰ –ছাত্ৰীক নিজৰ ভৰিৰ ওপৰত থিয় হ 'বলৈ উপযুক্ত কৰি গঢ় দিয়া। সৰ্বাংগীণ শিক্ষা ব্যৱস্থাৰ যোগেদি বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তি আৰু ভাৰতীয় জ্ঞান পৰম্পৰাক আগবঢ়াই নিয়াৰ প্ৰচেষ্টাৰে শিক্ষা ব্যৱস্থাৰ গঢ় দিয়া হৈছে। এই মন্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয় ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাৰ।

আজি দুলীয়াজান মহাবিদ্যালয়ৰ জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰৰ পূৰ্ণকান্ত হাজৰীকা সোঁৱৰণী প্ৰেক্ষাগৃহত ডিব্ৰুগড় বিশ্ববিদ্যালয় ৰ ২০২৫–২৬ বৰ্ষৰ আন্ত :মহাবিদ্যালয় যুৱ মহোৎসৱ উদ্বোধন কৰি তেওঁ আৰু কয় যে ,যুৱ মহোৎসৱত পুৰস্কাৰ লাভ কৰাতকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে সহযোগিতা,শৃংখলাবদ্ধতা আৰু শান্তিপূৰ্ণভাৱে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি তাক সফল কৰি তোলা। কাৰণ এই অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক নিজ নিজ মহাবিদ্যালয়ত স্থানপ্ৰাপ্ত। সেয়ে প্ৰতিযোগিতাত স্থান নাপালেও বিশেষ কোনো কথা নাথাকে। কিন্তু ছাত্ৰ –ছাত্ৰীসকলে কেনেদৰে সহযোগিতাৰে অনুষ্ঠানটোত অভিভাৱকত্ব পালন কৰিছে সেয়া আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। এইক্ষেত্ৰত ছাত্ৰ –ছাত্ৰী সকলৰ ওপৰত আমাৰ সূক্ষ্ম পৰ্যবেক্ষণ থাকিব। এই পৰ্যবেক্ষণৰ মতামতৰ ওপৰত তেওঁলোকৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। উপাচাৰ্যগৰাকীয়ে ছাত্ৰ –ছাত্ৰীসকলক উদ্দেশ্যি লগতে কয় যে যুৱ মহোৎসৱৰ যোগেদি আয়োজক দুলীয়াজান মহাবিদ্যালয়ৰ নাম জিলিকি উঠিব লাগিব। সেইদৰে অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিখন মহাবিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাম অসমত জিলিকি থাকিব লাগিব। উপাচাৰ্যগৰাকীয়ে আয়োজক দুলীয়াজান মহাবিদ্যালয়ক প্ৰশংসা কৰি কয় যে , এবাৰ এই অনুষ্ঠান অনুষ্ঠিত কৰা পিছত তিতা–কেহা অভিজ্ঞতাৰ বাবে কোনো মহাবিদ্যালয়ে দ্বিতীয়বাৰ এই দায়িত্ব পালন কৰিব নিবিচাৰে। কিন্তু দুলীয়াজান মহাবিদ্যালয়ে যুৱ মহোৎসৱ এবাৰ অনুষ্ঠিত কৰাৰ পিছতো এইবাৰ পুনৰ অনুষ্ঠিত কৰিছে।

## 28th January 2026: Events Covered

### Purnakanta Hazarika Memorial Stage
Inaugurator: Aruna Hazarika
Events: Mimicry
No. of the participants: 11
Judges: Ashim Kumar Sharma, Rupantar Borpatra Gohain & Bihuti Phukan Hazarika

### Biren Chutia Memorial Stage
Inaugurator: Sri Bhupen Saikia
Events: Classical Dance and Creative Dance
No. of the participants
Classical: 39, Creative: 55
Judges: Anjali Borborah Borthakur, Plabita Borthakur Shendge
Anita Tamuly, Bedanta Bikash Dutta, Manikanchan Konwar

### Ajit Borgohain Memorial Stage
Inaugurator: Mr. Tapan Dutta
Event: Poetry Recitation (Assamese)
No of Participants: 47
Judges: Santisaya Saikia, Rupjyoti Dowarah, Rijumoni Saikia Tamuly

### Dipak Gogoi Memorial Stage
Inougurtor: Dr. Amiyo Khanikar
Event: Jyoti Sangeet
No. Of participants- 45
Judges: Dipak Gogoi, Jibendramohan Debsharma and Goutom Sharma.



# উখল মাখল দুলীয়াজান মহাবিদ্যালয়ৰ
# জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ
# যুৱ প্ৰতিভাৰ সমাহাৰ
# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱ আৰম্ভ




**জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰৰপৰা যুৱাঙ্গনৰ প্ৰতিনিধি ,২৮ জানুৱাৰী :** আজিৰেপৰা দুলীয়াজান মহাবিদ্যালয়ৰ জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰত আৰম্ভ হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয় ২০২৫ –২৬ বৰ্ষৰ আন্ত :মহাবিদ্যালয় যুৱ মহোৎসৱ। এই উপলক্ষত আজি পুৱা যুৱ মহোৎসৱৰ মূল তোৰণ উন্মোচন কৰে দুলীয়াজান বিধানসভা সমষ্টি ৰ বিধায়ক তেৰছ গোৱালাই। ইয়াৰ পিছতে পতাকা উত্তোলনৰ কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক , ড° পৰমানন্দ সোনোৱালে,ক্ৰীড়া পৰিষদৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় ডীন, ছাত্ৰ পৰিষদ তথা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক সমন্বয়ক, ড° সুৰজিৎ বৰকটকী য়ে,আয়োজক মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড ° লোক বিকাশ গগৈয়ে আৰু অংশগ্ৰহণকাৰী মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা তত্ত্বাৱধায়কসকলে৷ সেইদৰে স্মৃতি তৰ্পণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ –ছাত্ৰী সংস্থাৰ প্ৰাক্তন সভাপতি চন্দ্ৰ শইকীয়াই আৰু শ্বহীদ তৰ্পণৰ শুভাৰম্ভ কৰে উদ্‌যাপন সমিতি কাৰ্যকৰী সভাপতি ড ° হেমন্ত দাস আৰু দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কল্যাণ গগৈয়ে। আনহাতে গ্ৰন্থ বিপনী উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড ° সুৰজিৎ বৰকটকীয়ে৷ পূৰ্ণকান্ত হাজৰীকা সোঁৱৰণী মূল মঞ্চ তথা মণ্ডপ উদ্বোধন কৰে স্বৰ্গীয় পূৰ্ণকান্ত হাজৰীকাৰ সহধৰ্মি ণী অৰুণা হাজৰীকা য়৷ দুপৰীয়া পূৰ্ণকান্ত হাজৰীকা সোঁৱৰণী মূল মঞ্চত অনুষ্ঠিত হয় যুৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান৷ অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক ড ° ৰূপম শইকীয়া য়৷ উদ্‌যাপন সমিতি তথা দুলীয়াজান মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত আয়োজক সমিতিৰ তৰফৰ পৰা আদৰণি ভাষণ প্ৰদান কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড ° লোক বিকাশ গগৈ য়ে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তৰফৰপৰা বিশ্ববিদ্যালয়ৰ ডীন, ছাত্ৰ পৰিষদ তথা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক সমন্বয়ক , ড° সুৰজিৎ বৰকটকীয়ে৷ অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্য অতিথি , ডিব্ৰুগড় বিশ্ববিদ্যালয় উপাচাৰ্য ড ° জিতেন হাজৰিকা য়৷ তেওঁ উদ্বোধনী অনুষ্ঠানতে যুৱ মহোৎসৱৰ স্মৃতিগ্ৰন্থ " যুৱাপ্ৰাজ্ঞ" আৰু দুলীয়াজান –মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে প্ৰকাশ কৰি উলিওৱা "EcoVisions: Thinking Beyond Disciplinary Silos - Vol I" গৱেষণা গ্ৰন্থ উন্মোচন কৰে৷ অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড ° সত্যকাম বৰঠাকুৰ ,ড° জিতু ৰঞ্জন চেতিয়া,ড° দিপজ্যোতি গগৈ ,দুলীয়াজান মহাবিদ্যালয়ৰ উপাধ্যক্ষ জ্যোতি সিং পাঠক, প্ৰাক্তন অধ্যাপক ভূপেন শইকীয়া আদি ব্যক্তিসকল উপস্থিত থাকে৷ অনুষ্ঠানটো আতঁধৰা ৰ লগতে শেষত শলাগৰ শৰাই আগবঢ়াই দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ অধ্যাপক মনচুন হাতীবৰুৱা য় । ইয়াৰ পিছত বীৰেন চুতীয়া সোঁৱৰণী মঞ্চ মুকলি কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভূপেন শইকীয়াই , জ্যোতি প্ৰসাদ চেতিয়া সোঁৱৰণী মঞ্চ মুকলি কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত সহযোগী অধ্যাপক ড ° হিতেশ বৰদলৈয়ে, দীপক গগৈ সোঁৱৰণী মঞ্চ মুকলি কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমিয় খনিকৰে আৰু কে বি কানুগা সোঁৱৰণী মঞ্চ মুকলি কৰে দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰভাত ফুকনে , অজিত বৰগোহাঁই সোঁৱৰণী মঞ্চ মুকলি কৰে দুলীয়াজান মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ জ্যেষ্ঠ অধ্যাপক তপন দত্তই৷ মঞ্চ উদ্বোধনৰ পিছতে অনুষ্ঠিত হয় সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা। বিয়লিলৈ একাংকিকা নাট প্ৰতিযোগিতা উদ্বোধন কৰে পথাৰ নাট্য গোষ্ঠীৰ সঞ্চালক পবিত্ৰ চেতিয়া য়৷ উল্লেখযোগ্য যে এইবাৰ যুৱ মহোৎসৱত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ প্ৰায় ৬৩ খন বিভিন্ন মহাবিদ্যালয়ৰ প্ৰায় ১৫০০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে৷ ইফালে কালি বিয়লি যুৱ মহোৎসৱৰ মূল কাৰ্যসূচীৰ পূৰ্বে প্ৰতিযোগীৰ নাম পঞ্জীয়ন আৰু প্ৰতিনিধি শিবিৰ উদ্বোধন কৰা হয়৷ এই অনুসৰি বিয়লি ছাত্ৰী প্ৰতিনিধি শিবিৰ উদ্বোধন কৰে অসম গেছ কোম্পানী লিমিটেডৰ মহা প্ৰৱন্ধক ধীমান্ত বৰ্মনে আৰু ছাত্ৰ প্ৰতিনিধি শিবিৰ উদ্বোধন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ জ্যেষ্ঠ অধ্যাপক ডঃ দয়ানন্দ নাথে৷ আনহাতে সন্ধিয়ালৈ খাদ্যৰ মণ্ডপ উদ্বোধন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক পৰাগ শইকীয়ায়৷



# স্মৃতিৰ সুবাস



ডিব্রুগড় বিশ্ববিদ্যালয় যুব মহোৎসৱ এটি বৰণীয় অনুষ্ঠান। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক উপযুক্ত স্থান দিয়া এটি মঞ্চ । এই মঞ্চৰ বুকুতেই বহুতো ছাত্ৰ-ছাত্ৰী উজ্বলি উঠে। যি সময়ত যুব প্ৰজন্ম বিপথে পৰিচালিত হৈছে বুলি সমাজত হাহাকাৰ সৃষ্টি হৈছে সেই সময় ত এই মঞ্চখনে যুৱ প্ৰজন্মক এক সঠিক দিশ দিব পৰিছে বুলি ক'ব পাৰি।

এনে সাধনাই ছাত্ৰ -ছাত্ৰীসকলক সৎপথৰ সন্ধান দিয়ে৷ নিজৰ মাজত থকা কলাবোৰে পাহি মেলিবলৈ সুবিধা পায়৷ এই মঞ্চ এক সুৰীয়া মঞ্চ। এই মঞ্চই মনৰ মাজত যি আনন্দ দিব পাৰে সেয়া আনে দিব নোৱাৰে।

দুলীয়াজান মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত থাকোতে মই বহুবাৰ এনে দলবোৰৰ লগত সাঙোৰ খাই পৰিছিলোঁ। কিমানযে প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীৰ সান্নিধ্য লাভ কৰিছিলোঁ। সেইবোৰ এতিয়া সোঁৱৰণি। যুৱ মহোৎসৱৰ কথা মনলৈ আহিলেই মনটোৱে দেওদি উঠে । মোৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য যুৱ মহোৎসৱ হ'ল ২০১০ চনত আমাৰ মহাবিদ্যালয় অনুষ্ঠিত কৰা যুৱমহোৎসৱটি। সেইবাৰ আমাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ দলৰ খিতাপ পাইছিল।



**অনিল গগৈ, উপদেষ্টা, আটাছু, কেন্দ্ৰীয় সমিতি**

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ -মহোৎসৱখনি এই বছৰ দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱাৰ কথা জানিব পাৰি আনন্দিত হৈছোঁ। যুৱ-মহোৎসৱখনিতছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰিবলৈ সুযোগ লাভ কৰিব৷ সকলো ছাত্ৰ -ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ৷ যুৱ -মহোৎসৱখনিলৈ অহা সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু অতিথিবৃন্দক আদৰণি জনোৱাৰ লগতে যুৱ মহোৎসৱখনিৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিছোঁ।

## মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰীৰ অনুভৱ



নমস্কাৰ৷ মই পূৰ্ণিমা দে , দুলীয়াজন মহাবিদ্যালয়ৰ ছাত্ৰী৷ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ সম্পৰ্কে মোৰ যি অনুভৱ ক 'ব বিচাৰিছে যে , এই ২০২৫ -২৬-ৰ যুৱ মহোৎসৱৰ আয়োজন আমাৰ দুলীয়াজানৰ মহাবিদ্যালয়ত খুব সুন্দৰকৈ অনুষ্ঠিত হৈছে৷ আজি ২৮ জানুৱাৰীত আৰম্ভণি হৈছে , আয়োজন বৰ সুন্দৰ হৈছে৷ গোটেই কলেজখন বহুত ধুনীয়াকৈ সজোৱা হৈছে৷ বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ ছাত্ৰীসকল ইয়াত একেলগ হৈছে৷ প্ৰতিযোগিতাসমূহো খুউব সুন্দৰ ভাবে সম্পন্ন হৈছে আৰু আমি নিজকে সৌভগ্যশালী বুলি ভাবিছোঁ এইকাৰণেই যে এই মহোৎসৱ আমি কলেজত পঢ়ি থকা অৱস্থাত অনুষ্ঠিত হৈছে আৰু আমি যুৱ মহোৎসৱ উপভোগ কৰিবলৈ এটা সুযোগ লাভ কৰিছোঁ৷ ধন্যবাদ৷

## 28th January 2026: Events Covered

### K.B. Kanuga Memorial Stage

Inaugurator: Mr. Prabhat Ch. Phukan
Events: Song (Khayal)
No. of the participants: 23
Judges: Mr. Pradyut Mishra, Mr. Kaushik Konwar, Mr. Shyamanta Borkatoky, Santanu Borthakur

### Jyoti Prasad Chetia Memorial Stage

Inaugurator: Dr. Hitesh Bordoloi
Events: Dhol
No. of the participants
Classical: 39, Creative: 39
Judges: Mr. Hirakjyoti Sharma, Mr. Gautam Saikia, Mr. Probin Kumar Saikia

## মহীৰুহ স্মৰণ



## কে. বি. কানুগা

দুলীয়াজানৰ সৃষ্টিকৰ্তা বা খনিকৰ হিচাপে যিজন মানুহৰ নাম এতিয়াও দুলীয়াজনবাসীয়ে অতি সন্মান আৰু কৃতজ্ঞতাৰে লয় সেইজন ব্যক্তি হ'ল কে. বি. কানুগা অৰ্থাৎ কেৰল ৰাম বুলচান্দ কানুগা। তেওঁ আছিল অইল ইণ্ডিয়া লিমিটেডৰ প্ৰথমজন মুখ্য আৱাসিক সঞ্চালক। দুলীয়াজানৰ বিকাশৰ মূল চালিকাশক্তি কেৰলৰাম কানুগাই বুজি পাইছিল যে মানুহবোৰক একতাৰ দোলেৰে বান্ধিব পৰাটোৱেই হ 'ল এখন সমৃদ্ধিশালী চহৰ গঢ়াৰ মূল শক্তি। এই বিশ্বাসৰদ্বাৰা পৰিচালিত হৈ কানুগাই দুলীয়াজানৰ বাসিন্দাসকলে যাতে কামৰ পাছত বা বন্ধৰ দিনত একেলগ হ 'ব পাৰে, বিভিন্ন ক্ৰীড়া আৰু সাংস্কৃতিক কাৰ্যসূচীত ভাগ ল 'ব পাৰে আৰু জীৱৰ উদযাপন কৰিব পাৰে , তাৰবাবে দুলীয়াজান ক্লাব আৰু জালনী ক্লাব প্ৰতিষ্ঠা কৰিছিল। দুলীয়াজান মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতৰ অৱদান আছিল লেখত ল 'বলগীয়া। দুলীয়াজান চহৰত এখন মহাবিদ্যালয়ৰ আৱশ্যকতা অনুভৱ কৰি সেই সময়ৰ বিশিষ্ট ব্যক্তি আৰু ৰাইজক লৈ সভা অনুষ্ঠিত কৰা হৈছিল। এই সভাত এখন সমিতি গঠন কৰা হৈছিল আৰু কে .বি. কানুগাক সভাপতি পতা হয়। তেখেতেও সভাপতিৰ আসনৰপৰাই এখন কলেজ খোলাৰ আৱশ্যকতা আছে বুলি কয়। তেখেতে অইল ইণ্ডিয়া লিমিটেডৰ হৈ যিখিনি সহায় সহযোগ লাগে, সকলো কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। পাছলৈ অইল কৰ্তৃপক্ষই বহুতো সহায় –সহযোগ আগবঢ়ায়। এনেধৰণৰ সহায় সহযোগিতাৰেই ১৯৬৯ চনত দুলীয়াজান মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰে আৰু ১ আগষ্টৰপৰা মহাবিদ্যালয়খনত পাঠদান আৰম্ভ হয়।

## 29th January 2026:

## UPCOMING EVENTS

**Venue 1:**

9 A.M.: Folk Song (Solo)
Folk Orchestra
5 P.M.: One Act Play

**Venue 2:**

9 A.M.: Western Vocal
Parbati Prasad Geet
11 A.M.:Group Song

**Venue 3:**

9 A.M.: Quiz (Prelims)
Skit
Mime
Quiz (Mains)

**Venue 4:**

9 A.M.: Bhupendra Sangeet
Jayanta Sangeet

**Venue 6:**

9 A.M.: Violin
Sitar
Mandolin
Flute
12 P.M.: Guitar
Tabla


**Venue 7:**

9 A.M.: On Spot Painting
Cartooning
Poster Making
Collage

**ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱমহোৎসৱ ২০২৫–২৬–ৰ লগত সংগতি ৰাখি দুলীয়াজান মহাবিদ্যালয়ৰ উদ্যোযগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহৰ মাজত ৰচনা প্ৰতিযোগিতা সম্পন্ন**




## ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱৰ ২০২৫-২৬-ৰ মুখপত্ৰ 'যুৱাপ্ৰাজ্ঞ' উন্মোচন






## Inauguration of: *EcoVisions*: A Peer Reviewed Interdisciplinary Research Journal published by North-East India Forum of Green Studies, Department of English, Duliajan College






## পতাকা উত্তোলনৰ মুহূৰ্তত





# দিনটোৰ কিছু স্মৰণীয় মুহূৰ্ত


















## আজিৰ দিনটোত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ আলোকচিত্ৰ




















## ছবিয়ে কথা কয়




FOOD
USE ME
DHSK COLLEGE
(AUTONOMOUS)
DIBRUGARH





ABHINOB BORKAKOTI











*সম্পাদকীয়*

# নান্দনিক এই লগ্ন

২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ অসমৰ অন্যতম অগ্ৰণী উচ্চ শৈক্ষিক প্ৰতিষ্ঠান দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হৈছে। ই আমাৰ বাবে অত্যন্ত আশাৰ খবৰ, আনন্দৰ খবৰ। দুলীয়াজান মহাবিদ্যালয়ে লাভ কৰা এই সুযোগে মহাবিদ্যালয়খনক যে এক অনন্য সাংস্কৃতিক মাত্ৰা প্ৰদান কৰিব তাত কোনো সন্দেহ নাই।

উল্লেখযোগ্য যে, ২০১০ বৰ্ষতো দুলীয়াজান মহাবিদ্যালয়ে যুৱ-মহোৎসৱৰ দায়িত্ব মূৰ পাতি লৈ তাৰ সফল ৰূপায়ণ কৰিছিল। দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা, অভিজ্ঞতা আৰু সক্ষমতাৰ সুবাদতে চলিত যুৱ-মহোৎসৱৰ আয়োজন কৰাৰ দায়িত্ব দুলীয়াজান মহাবিদ্যালয়ে পুনৰ লাভ কৰিলে সেই কথাত আমি নিশ্চিত।

যুৱ-মহোৎসৱ এনে এখন বিশাল মঞ্চ য'ত দুৰন্ত তৰুণ যুৱ চামে নিজৰ সুপ্ত প্ৰতিভাক বিকশাই তুলিবলৈ সুযোগ লাভ কৰে। ই যেন এক সাংস্কৃতিক নৱজাগৰণহে য'ত সম্প্ৰীতিৰ ধ্বজা বহন কৰি প্ৰতিযোগীসকলে বিভিন্ন প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰে। এই মহোৎসৱে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ পথো প্ৰশস্ত কৰে।

চলিত মাহৰ ২৮-৩১ তাৰিখলৈকে বিভিন্ন মহাবিদ্যালয়ৰ সহস্ৰাধিক যুৱ প্ৰতিযোগীয়ে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাঙ্গন মুখৰিত কৰি ৰাখিব। সেই ধীমান প্ৰতিযোগীসকলে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাঙ্গনক পৰিণত কৰিব যুৱাঙ্গনলৈ। সঁচাই, এই পুলক অনিৰ্বচনীয় তথা নান্দনিক।

আহক, আমি সকলোৱে এই গৰিমামণ্ডিত মহোৎসৱৰ সমভাগী হওঁ আৰু নান্দনিকতাৰ মাজত ডুব যাওঁ।

## সম্পাদনা সমিতি :

**উপদেষ্টা :**

- ড° লোক বিকাশ গগৈ

**সম্পাদক :**

- ড° চিত্ৰজিৎ শইকীয়া

**সহযোগী সম্পাদক :**

- মনোজ কুমাৰ ডেকা
- ৰূপজ্যোতি বৰদলৈ

**সদস্য :**

- ড° পপী হাজৰিকা
- গৌৰৱ সেনগুপ্ত
- জয়ন্ত ভুঞা
- ড° উৰ্বী দেৱী
- ড° মনচুমী গগৈ
- ড° ভাগ্যলক্ষী বৰুৱা
- ড° অম্বালিকা বৰঠাকুৰ
- ড° জ্যোতি গগৈ
- চিদ্দিকা বানু
- অভিজিৎ সাহা
- কৃষ্ণা গগৈ
- সুৰজিৎ গগৈ
- অনুৰাগ ৰাভা
- গুলাইনা কোঁৱৰ
- বনচুমি বৰুৱা
- তিতিক্ষা সোণোৱাল
- ৰাণীপ্ৰিয়া বৰুৱা
- দেবিকা কেওঁট